# বাওঁপন্থী বন্ধুসকলৰ সমালোচনা প্ৰসঙ্গত দুআষাৰ

OKDISCD

ভাৰতৰ কমিউনিষ্ট পাৰ্টি ( মাৰ্ক্সবাদী লেনিনবাদী )ৰ
উত্তৰ পূৰ্ব্বাঞ্চলীয় জ'নাল কমিটি

আগকথা ঃ

'সাম্প্ৰতিক সাময়িকী' নামৰ আলোচনীখনিৰ চতুৰ্থ বছৰ চতুৰ্থ সংখ্যা ('৮০) ত "উগ্ৰ-বামপন্থী আবৰণ বনাম উগ্ৰ-সোঁপন্থী প্ৰতিক্ৰিয়াশীল বিচ্যুতি" এই শিৰোনামাৰে এটি লেখা প্ৰকাশ পাইছে। লেখাটিয়ে আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। লেখাটিত অসমৰ বৰ্ত্তমানৰ আন্দোলন সম্পৰ্কত আমাৰ পাৰ্টিয়ে গ্ৰহণ কৰা লাইনক সমালোচনা কৰা হৈছে। আমি ভাবো লেখাটি যদিও এজন বাওঁপন্থী বন্ধুৱে লিখিছে তথাপি এই লেখাটিৰ মাজেৰে যি চিন্তা ভাৱনাবোৰৰ প্ৰকাশ ঘটিছে সি বাওঁপন্থী শিবিৰৰ বহু বন্ধুৰ মাজতেই আছে। সেয়ে আমি এই লেখা-টিক এজন বাওঁপন্থী বন্ধুৰ বক্তব্য হিচাপে নলৈ বাওঁপন্থী শিবিৰৰ বক্তব্য হিচাবেই গ্ৰহণ কৰিছোহঁক।

OKDISCD

## বাওঁপন্থী বন্ধুসকলৰ সমালোচনা প্ৰসঙ্গত দুআষাৰ

অসমৰ বৰ্ত্তমান আন্দোলনক কেন্দ্ৰ কৰি P.C.C. সংগঠনৰ "অসম ৰাজ্য কমিটি' আৰু আন বাওঁপন্থী পাৰ্টিবোৰে নিজৰ নিজৰ খোপনি আৰু দৃষ্টিভঙ্গী ব্যক্ত কৰিছে। এই সংগঠনবোৰৰ মাজত এই প্ৰশ্নলৈ কোনো মৌলিক পাৰ্থক্য নাই। আটাইবোৰ সংগঠনেই এই আন্দোলনক এহাতে 'উগ্ৰজাতীয়তাবাদ', 'সাম্প্ৰদায়ীক' তথা 'বিচ্ছিন্নতাবাদী' বুলি আঙুলিয়াইছে আৰু আনহাতে '৭১ চনকে ভিত্তি বছৰ হিচাবে ধৰি বিদেশী নাগৰিকক বহিস্কাৰ কৰাৰ সপক্ষে মাত মাতিছে।

ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ বুৰঞ্জীত এনে খোপনি আৰু দৃষ্টিভঙ্গী কোনো স্বকীয়া ঘটনা নহয়। বৃটিছ বিৰোধী ব্যাপক ভাৰতীয় ৰাইজৰ বিশাল গণ জোৱাৰৰ পৰা আৰম্ভ কৰি আজিকোপতি যিমানবোৰ গণ আন্দোলন (আঞ্চলিক বৈষম্য, জাতিগত, ভাষাগত প্ৰভৃতি প্ৰশ্নত) বিভিন্ন ৰাজ্যত হৈছে, সেইবোৰত কমিউনিষ্ট নেতাইঁতে হয়তো শ্ৰেণী সংগ্ৰাম সামৰি থৈ প্ৰতিক্ৰিয়াশীল নেতৃত্বৰ লিটিকাই হৈছে নতুবা শ্ৰেণী সংগ্ৰামক গোড়ামীবাদী আৰু সংকীৰ্ণ দৃষ্টিকোণেৰে লৈ প্ৰতিক্ৰিয়াশীল নেতৃত্বৰ বিৰোধীতা কৰিবলৈ গৈ ব্যাপক ৰাইজৰ গণজোৱাৰৰ পৰাই আচুতীয়া হৈ পৰিছে। উল্লেখিত সংগঠনবোৰৰ বৰ্ত্তমানৰ খোপনি ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ সেই নেতিবাচক সোঁতৰে এটা সুঁতিৰ বাহিৰে আন একোৱেই নহয়। ভাৰতৰ ভালে কেইখনমান ৰাজ্যত কমিউনিষ্ট আন্দোলনৰ দীঘলীয়া বুৰঞ্জী থাকোতেও সেই ৰাজ্য সমূহতো বিভিন্ন আঞ্চলিক আৰু জাতিগত সমস্যাবোৰক কেন্দ্ৰ কৰি বিভিন্ন আঞ্চলিক প্ৰতিক্ৰিয়াশীল পাৰ্টিবোৰে ব্যাপক ৰাইজক নিজৰ ফলীয়া কৰি লোৱাত সক্ষম হৈছে। ডি, এম, কে,, আকালীদল, ঝাৰখণ্ড, দলিত পেন্থাৰ, ত্ৰিপুৰা উপজাতি যুব সমিতি প্ৰভৃতি আঞ্চলিক পাৰ্টিবোৰেই হ'ল ইয়াৰ জ্বলন্ত উদাহৰণ।

এটি স্বৈৰতান্ত্ৰিক আৰু বুৰ্জোৱা শাসনাধীন ৰাষ্ট্ৰত কমিউনিষ্ট পাৰ্টিয়ে নিজৰ সংগঠনৰ স্বাধীনতা আৰু স্বতন্ত্ৰতা বজায় ৰাখি, বৰ্ত্তি থাকি ঠনধৰি উঠিবলৈ খাটাংকৈয়ে ই দেশৰ আভ্যন্তৰীণ শ্ৰেণী সংগ্ৰামৰ প্ৰশ্নত অটল হৈ থাকিব লাগিব— ই এক সাৰ্ব্বজনীন সত্য। লগতে প্ৰতিটি দেশৰ কমিউনিষ্ট পাৰ্টিবোৰে শ্ৰেণী সংগ্ৰামসমূহক নিজৰ দেশৰ জাতীয় ৰূপ (National form) দিব পৰাৰ ওপৰতে সেই দেশৰ কমিউনিষ্ট পাৰ্টিৰ বিকাশ আৰু গণ আধাৰ নিৰ্ভৰ কৰে। এই প্ৰশ্নত যি গোড়ামীবাদী আৰু সংকীৰ্ণতাবাদী দৃষ্টিভঙ্গীয়ে কাম কৰে সি হ'ল শ্ৰমিক-মালিক, মাটিগিৰি-কৃষকৰ দ্বন্দ্বক কেন্দ্ৰ নকৰাকৈ অৰ্থাৎ উপৰি-গাথনিৰ (Superstructure) প্ৰশ্নত কোনো আন্দোলন গঢ়ি উঠিলেই কমিউনিষ্টসকলে এইবোৰক 'বিচ্ছিন্নতাবাদী' 'সাম্প্ৰদায়িক' প্ৰভৃতি আখ্যা দি নীৰৱ দৰ্শকৰ ভূমিকা পালন কৰাতো। আৰু হতাশাত মূৰ আছাৰি কয় 'কাহানিকৈ এই পয়মালখন আঁতৰিব।' পয়মাল আঁতৰিলে তেওঁলোকে যে কিমান ডাঙৰ গণ আন্দোলন গঢ়ি তুলিব, তাবে আঁচনি নিজৰ দলৰ কৰ্ম্মীসকলৰ সৈতে কৰিয়েই দিন নিয়াই। পিছে তেওঁলোকৰ আত্মগত ইচ্ছালৈ কেৰেপ নকৰি জনজোৱাঁৰ নিজ নিয়মেৰে আগুৱাই যায়। আজি অসমৰ বাওঁপন্থী নেতাইঁতেও এনে নিঠৰুৱা অৱস্থাতে দিন নিয়াব লগা হোৱা নাই জানো? নিজৰ আত্মগত চিন্তা আৰু বাস্তৱৰ মাজত পাৰ্থক্যৰ গভীৰতালৈ চাই তেওঁলোকে নিজৰ খোপনিৰ পুনৰ মূল্যায়ন কৰা উচিত।

আমাৰ পাৰ্টিৰ কেন্দ্ৰীয় কমিটিয়ে ভাৰতৰ কমিউনিষ্ট আন্দোলনৰ বুৰঞ্জীত পোন প্ৰথমবাৰলৈ ভিন ভিন জাতিসত্তাৰ আন্দোলনসমূহক কি দৰে দোপতদোপে সাধাৰণ শত্ৰুৰ বিৰুদ্ধে পোনাই দিয়া যায় অৰ্থাৎ শ্ৰেণীসংগ্ৰামবোৰক কি দৰে জাতীয় ৰূপ দিব পৰা যায় তাৰেই এক মাৰ্ক্সীয় লাইন সূত্ৰবদ্ধ কৰিছে। বাওঁপন্থী বন্ধুসকলে এই মুহূৰ্ত্ততে এই লাইনৰ তাৎপৰ্য্য উপলব্ধি কৰাতো সততে সম্ভৱো নহয়। কেইদিনমান লাগিবই। সেয়ে তেওঁলোকৰ এই সমালোচনাই আমাক

আৰু লগতে তেখেতসকলকো কেন্দ্ৰীয় কমিটিৰ লাইনক উপলব্ধি কৰিবলৈ সহায় কৰিব। এই লক্ষ্যতেই এই আলোচনাৰ পাতনি।

বাওঁপন্থী বন্ধুসকলে কেতবোৰ ৰাজনৈতিক সমালোচনাৰ লগতে আমাৰ বিৰুদ্ধে কিছু কুৎসা ৰটিছে আৰু মিছা অভিযোগো আনিছে। আমি পিছে এইবোৰৰ জবাব দিবলৈ গৈ মিছা তৰ্কত সাঙোৰ খাই পৰিবলৈ বিচৰা নাই। তাকে নকৰিলে ৰাজনৈতিক প্ৰশ্নবোৰ ঢকা চমকা হৈ পৰাৰ সম্ভাৱনাই বেছি। সেয়ে আমি ৰাজনৈতিক প্ৰশ্নসমূহতহে আলোচনা থুপ খুৱাম।

আমাৰ সম্পৰ্কে তেওঁলোকৰ প্ৰথম সমালোচনা হ'ল "বৰ্ত্তমান আন্দোলনৰ প্ৰতিটো দাবীকেই আমি 'প্ৰগতিশীল' আৰু 'জনগণতান্ত্ৰিক' বুলি মানি লৈছো। আন্দোলনৰ মাজত সংঘটিত হোৱা প্ৰতিটো অমানৱীয় আৰু অগণতান্ত্ৰিক কামকেই 'সৰ্বান্তঃ কৰণে' সমৰ্থন কৰিছো। সংখ্যালঘু সম্প্ৰদায় আৰু জনজাতীয় ৰাইজৰ প্ৰত্যেকটি ন্যায় সঙ্গত দাবীকেই গণবিৰোধী আৰু ষড়যন্ত্ৰ বুলি আখ্যা দিছো। এই আটাইবোৰকে আমি কৰিছো এই যুক্তিত যে 'ৰাজ্যৰ বেচিভাগ লোকেই এই আন্দোলনত যুক্ত, সেই বাবেই হেনো।'

এৰা! আমি অসমীয়া ৰাইজৰ হা-হুমুনিয়াহৰ সমভাগী। ব্যাপক অসমীয়া ডেকা-গাভৰুৰ বেকাৰত্ব, অৰ্থনৈতিক বৈষম্য, ভাষা সংস্কৃতি প্ৰভৃতি প্ৰশ্নত তেওঁলোকৰ সংগ্ৰামক আমি নিশ্চয়কৈয়ে সমৰ্থন কৰোহঁক। ব্যাপক অসমীয়া ৰাইজৰ মনত এইবোৰ প্ৰশ্ন দকৈ শিপাই নথকাহলে গোটেই জাতিটোৱেই ৰাজপথলৈ ওলাই নাহিলহেঁতেন। ব্যাপক ৰাইজে এই আন্দোলনত ভাগলোৱাৰ হেপাহঁৰ বৰভেটিটো এই সমস্যাবোৰৰ মাজতে নিহিত হৈ আছে। কোনো নেতাৰ অলৌকিক ক্ষমতাৰ মাজত নাই। বৰং এইটোৱেই জানো সঁচা নহয় যে অসমীয়া ৰাইজৰ এই বৈশিষ্টমূলক সমস্যাবোৰক কমিউনিষ্টসকলে উপলব্ধি কৰিব নোৱাৰাৰ ফলতে প্ৰতিক্ৰিয়াশীলহঁতেই গোটেই জাতিটোৰ আন্দোলনৰ নেতৃত্ব হাতৰ মুঠিলৈ নিব পাৰিছে? আৰু তাৰেই পৰিণতি হ'ল ব্যাপক অসমীয়া ৰাইজৰ মাজত বাওঁপন্থী আৰু কমিউ-

নিষ্টৰ বিৰুদ্ধে ঘৃণা জগাই তোলা, উত্তৰ কামৰূপ সহ কেবাঠাইতো ভাতৃঘাটি কটামৰা, গণতান্ত্রিক মূল্যবোধক ধ্বংস কৰি পেলোৱাৰ ঘটনাসমূহ। আন্দোলনৰ নেতাইঁতে এই পৰিস্থিতি সৃষ্টি কৰিব পৰাতো হ'ল সমস্যাৰ বাহ্যিক অৰ্থাং গৌণ দিশ আৰু বাওঁপন্থী তথা কমিউ-নিষ্টসকলে অসমীয়া ৰাইজৰ মানসিকতাক উপলব্ধি কৰিব নোৱাৰাতো হ'ল সমস্যাৰ ভিতৰুৱা অৰ্থাৎ ঘাই দিশ। যদি তেওঁলোকে ইয়াকে কৰিব পাৰিলেহেঁতেন তেতিয়া হলে পৰিস্থিতি সমূলি বিপৰীত হ'ল-হেঁতেন বুলি ন দি কব পাৰি।

আন্দোলনৰ মাজত সংঘটিত হোৱা কোনো অমানৱিক আৰু অগণতান্ত্রিক কামক আমি সমৰ্থন জনোৱাৰ কথাই উঠিব নোৱাৰে। আমাৰ পাৰ্টিয়ে এই ধৰণৰ কাৰ্য্যৰ তীব্র বিৰোধিতাহে কৰে। বাওঁ-পন্থী বন্ধুসকলৰ সৈতে আমাৰ যি ঠাইত পাৰ্থক্য সি হ'ল— তেওঁ-লোকে মাথো প্রতিক্রিয়াশীল নেতৃত্ব, চি, আই, এ, কে, জি বি, ৰ চক্রান্তৰ মাজতেই সমস্যাৰ উহঁ দেখা পাইছে। আমি পিছে আমাৰ বাওঁপন্থী বন্ধুসকলৰ চিন্তাৰ মাজতেই সমস্যাৰ উহঁ দেখা পাইছোহঁক। কেৱল মাত্র কাকতত সাম্রাজ্যবাদী চক্রান্ত সম্পৰ্কে দীঘলীয়া প্রবন্ধ পাতি লেখি-মেলি নহয়, বৰং আভ্যন্তৰীণ ক্ষেত্ৰত সঠিক লাইন নিৰ্দ্ধাৰণ কৰিয়েই মাথো প্রতিক্রিয়াশীল কিম্বা সাম্রাজ্যবাদী চক্রান্তক কাৰ্য্যকৰী ভাবে ভেটিব পাৰি।

সংখ্যালঘু সম্প্রদায় আৰু জনজাতীয় ৰাইজৰ কোনো ন্যায়-সঙ্গত আৰু গণতান্ত্রিক দাবীকেই আমি 'ষড়যন্ত্র' আৰু 'গণবিৰোধী' বুলি আখ্যা দিছো এনে দৃষ্টান্ত কোনো বন্ধু কিয় শত্রুৰ পক্ষেও দিয়াতো সম্ভৱ নহয়, বৰং আপোনালোকেই আজি যি অসমীয়া ৰাইজৰ পৰা সমূলি সুকীয়া হৈ গৈ সংখ্যালঘু আৰু জনজাতীয় ৰাইজৰ মাজত পাৰ্টিৰ ভেটি সাজিবলৈ গৈ যি ধৰণৰ চেষ্টাবোৰ চলাইছে সি সাম্প্রদায়িক উত্তেজনা বঢোৱাতহে সহায় কৰা নাই জানো? আমি তেওঁলোকৰ দাবীসমূহক সমৰ্থন জনোৱাৰ বা যি কোনো আক্রমণৰ সন্মুখত তেওঁলোক সংগঠিত হোৱাৰ প্রয়োজনীয়তাক দাঙি

ধৰাৰ লগতে সকিয়াই দিছিলো যে তেওঁলোকৰ দাবীৰ সমৰ্থক সাজি বিশেষকৈ ইন্দিৰা চৰকাৰে তেওঁলোকৰ কান্ধত বন্দুক থৈ অসমীয়া ৰাইজৰ আন্দোলনক মষিমূৰ কৰিব আৰু পাচৰ কোবত তেওঁলোকৰ দাবীবোৰকো মহতীয়াই পেলাব। ইন্দিৰাৰ এই 'বিভক্ত কৰি শাসন কৰা'ৰ নীতিক আগচি ধৰিবলৈকে আমি সকলো জাতিকে ঐক্যবদ্ধ হৈ ইন্দিৰাৰ স্বৈৰতন্ত্ৰক আগভেটা দিবলৈ আহ্বান জনাইছিলো।

কমৰেড চাৰু মজুমদাৰে আমাক শিকাইছে যে কোনো আন্দোলনক গমিপিতি চাবলৈ ছুটি মানদণ্ড আছে— আন্দোলনত কোনে ভাগ লৈছে আৰু আন্দোলন কাৰ বিৰুদ্ধে পৰিচালিত হৈছে। আপাত দৃষ্টিত আন্দোলনৰ লক্ষ্য বস্তু হিচাবে প্ৰবজনকাৰীসকলক চিহ্নিত কৰাত প্ৰতিক্ৰিয়াশীল নেতৃত্ব সমৰ্থ হৈছে যদিও নেতৃত্বৰ ইচ্ছামুক্ত-ভাবেই ব্যাপক ৰাইজ ইন্দিৰাৰ দমন পীড়ণৰ মুখামুখি হৈ ঠিয় দিয়ে। এই সত্যক আজি আৰু কোনেও নুই কৰিব নোৱাৰে যে বৰ্ত্তমানৰ আন্দোলনত গোটেই অসমীয়া জাতিটোৱেই উবুৰি খাই গোটপিত খাইছেহি। যদিও পোনতে বহিৰাগত বিতাৰণৰ দাবীয়েই আছিল একমাত্ৰ দাবী, পাচলৈ আন্দোলনৰ প্ৰক্ৰিয়াত [ ব্যাপক ৰাইজৰ অংশ গ্ৰহণ আৰু আন্দোলন দীঘলীয়া হোৱাত ] নেতাহঁতৰ ইচ্ছাৰ প্ৰতিকুলে বস্তুগতভাবে ইন্দিৰাৰ স্বৈৰতন্ত্ৰ ব্যাপক ৰাইজৰ সম্মুখলৈ আহে। ৰাইজৰ শ্ল'গানসমূহৰ মাজতো এই সালসলনি দেখা যায়। ইয়াৰ বাহিৰেও ১৯ এপ্ৰিলত গুৱাহাটীত কাৰফিউ ভঙাৰ দিনা ব্যাপক ৰাইজৰ যি স্বতঃস্ফূৰ্ত্ত জোৱাৰ, আন্দোলনক মষিমূৰ কৰিবলৈ ইন্দিৰাৰ ক'লা আইনবোৰৰ বিৰুদ্ধে ব্যাপক ৰাইজৰ সংগ্ৰাম, কেইবাঠাইতো ৰাইজৰ সৈতে পুলিচৰ হতাহতি সংগ্ৰাম, য'ত ভালে-মান ডেকা আৰু কৃষক শ্বহীদ হৈছে, সৰ্বোপৰি ২৪ জুলাইত ইন্দিৰাৰ অত্যাৱশ্যকীয় সেৱা আইন (অসম) '৮০ ৰ বিৰুদ্ধে গুৱাহাটীত ১৪৪ ধাৰা ভঙ্গ কৰি বৃহৎ গণসমাবেশ ঘটোৱা য'ত প্ৰতিজন বক্তাই ইন্দিৰাৰ স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে ৰাইজক সঁকিয়াই দিছে, প্ৰভৃতি ঘটনাবোৰেই ইয়াৰ জলন্ত চানেকী। ৰাইজৰ এই স্বৈৰতন্ত্ৰ বিৰোধী সংগ্ৰামসমূহত



OKDISCD

আপোনালোকে পিছে কি ভূমিকা লৈছিল ? আনহে নেলাগে সংগ্রামী ৰাইজলৈ নিষ্ক্রিয় সমর্থন এটিও আগবঢ়াইছিল জানো ? আন্দোলনৰ মাজত সাম্প্রদায়িক কটা-মৰা, বামপন্থী কৰ্ম্মীৰ ওপৰত আক্রমন, বিৰোধী মতাৱলম্বীসকলক আলৈ-আথানি কৰা প্রভৃতি ঘটনা ঘটিছে যিবোৰ কোনো গণতান্ত্রিক ব্যক্তিয়েই সমর্থন কৰিব নোৱাৰে। এই ঘটনাসমূহৰ ফলতেই অসমীয়া ৰাইজৰ সংগ্রামী ফ্রন্টত ভাঙোনো ধৰিছে আৰু সংখ্যালঘু সম্প্রদায় আৰু জনজাতীয় ৰাইজক অসমীয়া ৰাইজৰ আন্দোলনৰ বিৰুদ্ধে উচতাই দিবলৈ ইন্দিৰা কংগ্রেছক সুযোগ আনি দিছে। পিছে আচল কথা হ'ল ব্যাপক ৰাইজ যেতিয়া আওবাটেৰে যায় [ আন্দোলনৰ নেতৃত্ব প্রতিক্রিয়াশীলহঁতৰ হাতত থাকিলে তাকেই হয় ] তেতিয়া কমিউনিষ্টসকলে কি কৰা উচিত বাৰু ? কমিউনিষ্ট আন্তর্জাতিকৰ সপ্তম কংগ্রেছৰ ( ১৯৩৫ ) ভাষণত বুলগেৰিয়া কমিউনিষ্ট পার্টিৰ নেতা জৰ্জ্জি ডিমিট্রভে এই প্রশ্নৰ এক প্রাণবন্ত উত্তৰ দিছে : "..........কমিউনিষ্টসকলে নেতৃত্বৰ ভূমিকা লৈ বাক-বিতণ্ডা কৰি লাভ নাই, জনসাধাৰণৰ মাজত দৈনন্দিন কৰ্ম্ম আৰু সঠিক নীতিৰ মাজেদিয়েই মেহনতী জনতাৰ বিশ্বাসৰ যোগ্য হব লাগে, আস্থা অর্জন কৰিব লাগে, আমি কমিউনিষ্টসকলে আমাৰ ৰাজনৈতিক কাম বনত জন-সাধাৰণৰ শ্রেণী চেতনাৰ সঠিক স্তৰ, তেওঁলোকৰ মাজত বিপ্লৱী ভাৱধাৰা প্রসাৰৰ পৰিমাণৰ যদি হিচাব ৰাখো, যদি নিজৰ ৰুচি অভিৰুচি ওপৰত নির্ভৰ নকৰি বাস্তৱ ঘটনাৰ ভিত্তিত ধীৰ স্থিৰ ভাৱে বাস্তৱ পৰিস্থিতি বিচাৰ কৰো, একমাত্র তেতিয়াই ই সম্ভৱ হব। ব্যাপক জনতাই যাতে সহজেই সাম্যবাদৰ ফালে আহিব পাৰে, ধাপে ধাপে আমি সেই পথ মুকলি কৰি দিব লাগিব। লেনিনে যি কথা উচ্চস্বৰে কৈছিল, সেই সাৱধান বাণী যেন আমি কেতিয়াও পাহৰি নাযাও : ".......... আৰু এইটোৱেই হ'ল আচল কথা-- আমাৰ গুচৰত যি অচল তাক শ্রেণীৰ কাৰণে অচল বুলি ভবাতো কোনোমতেই চলিব নোৱাৰে।" [লেনিন ; 'বাওপন্থী কমিউনিজম, শিশুসুলভ বিশৃঙ্খলা'] সেয়েহে আমি নিঃসন্দেহে

ৰাইজৰ ধৈৰ্য্যশীল শিক্ষকেই হ'ব লাগিব, আমোলাতান্ত্ৰিক ৰাজনীতিজ্ঞ নহয়। আমাৰ এই কৌশল কিছু বন্ধুৱে কৈ ফুৰাৰ দৰে কোনো ক্ষন্তেকীয়া লাভালাভ কিম্বা ক্ষুদ্ৰ গোষ্ঠী স্বাৰ্থৰে লোৱা নাই। ৰাইজৰ প্ৰতি দায়িত্বশীল যি কোনো কমিউনিষ্টে তাকেই কৰিব।

বাওঁপন্থী বন্ধুসকলৰ দ্বিতীয় অভিযোগ হ'ল প্ৰথমৰ পিনে আমি আন্দোলন সম্পৰ্কে সঠিক মতামতকে প্ৰকাশ কৰিছিলো পাচলৈহে আন্দোলনক সমৰ্থন কৰাৰ আৰু আন্দোলনৰ লক্ষ্যবস্তুক বিৰোধীতা কৰাৰ এক স্ববিৰোধী লাইন গ্ৰহণ কৰিছো। সাম্প্ৰদায়িক কটা-মৰা বন্ধ কৰিবলৈ ইন্দিৰাই যি পদক্ষেপবোৰ লৈছে আমি তাৰ বিৰোধী, কাৰণ ইন্দিৰা ফেচিষ্ট্।

ধন্যবাদ, অজস্ৰ ধন্যবাদ কেন্দ্ৰীয় কমিটিলৈ। যদি তেখেতসকলে আমি প্ৰথমে লোৱা খোপনিক শুধৰাই নিদিলেহেঁতেন তেন্তে আমাৰ অৱস্থাও সেই বাওঁপন্থী বন্ধুসকলৰ দৰেই নিঠৰুৱা নহ'লহেঁতেন জানো? যদিও বৰ্ত্তমানৰ আন্দোলনত ভালেমান অ-গণতান্ত্ৰিক আৰু সাম্প্ৰদায়িক ঘটনা ঘটিছে তথাপিও সেই আটাইবোৰেই হ'ল বস্তুৰ বাহ্যিক দিশ। বহু বছৰ ধৰি টেপা খাই থকা এটা জাতিয়ে আজি নিজৰ অস্তিত্ব ঘোষণা (assert) কৰিবলৈ বিচাৰিছে। ই হ'ল বস্তুৰ ভিতৰৰ দিশ। বন্ধুসকলে ইয়াকে বুজাত তেনেই বিফল হৈছে। ফলত ৰাইজৰ বিৰাট সক্ৰিয়তাক তেওঁলোকে দেখা পোৱা নাই। যিমানে বেচি সংখ্যাত ৰাইজে আহি আন্দোলনত যোগ দিছেহি তেওঁলোকে সিমানে বেচিকৈ ৰাইজৰ পৰা সুকীয়া আৰু নিষ্ক্ৰিয় হৈ পৰিছে (ৰাইজৰ পৰা এঘৰীয়া হৈ পৰাটো যদি তেওঁলোকে বাওঁপন্থাৰ চিনাকি হিচাবে লয় তেন্তে আমাৰ কবলৈ একোৱেই নাই)। কোনো কোনো ঠাইত এই নিষ্ক্ৰিয়তা বিপৰীতলৈ ৰূপান্তৰিতহৈ এই আন্দোলনক ভঙাৰ সক্ৰিয়তাৰ ৰূপ লৈছে। এই অৱস্থাত পৰি তেওঁলোকে কৈছে "উগ্ৰজাতীয়তাবাদে অসমত পুনৰ মূৰ দাঙি উঠাৰ ফলত ই প্ৰদেশখনৰ শ্ৰেণীসংগ্ৰামৰ বিকাশত প্ৰধান অন্তৰায় হিচাবে দেখা দিছে।" তেওঁলোকে যি শ্ৰেণীসংগ্ৰামৰ কথা ভাবিছে সি হ'ল ঠাণ্ডা ঘৰত

বহি থকা বুদ্ধিজীৱিৰ মগজুৰ পৰা ওপজা শ্ৰেণী সংগ্ৰাম। গণ সংগ্ৰামৰ বাস্তৱ পৃথিৱীৰ সৈতে তাৰ কোনো সমিল মিল নাই।

আমি আন্দোলনত অংশগ্ৰহণকাৰী ৰাইজৰ মানসিকতা আৰু নেতৃত্বৰ ভূমিকাক স্বকীয়া কৰিছো। অৰ্থাৎ ৰাইজৰ মানসিকতা (যাৰ নিশ্চয় ন্যায্যতা আছে) যাৰ ফলত ব্যাপক ৰাইজ আন্দোলনত গোটপিত খাইছেহি আৰু নেতৃত্বৰ সঘন প্ৰচাৰ আৰু আতংকজনক তথ্য সৰবৰাহৰ জৰিয়তে যি লক্ষ্য (বিদেশী বহিস্কাৰ) স্থিৰ কৰা হৈছে তাৰ মাজত আমি পাৰ্থক্য কৰিছোহঁক। ইয়েই হ'ল মাৰ্ক্সবাদ। প্ৰতিক্ৰিয়াশীলহঁতৰ নেতৃত্বত পৰিচালিত যিকোনো ব্যাপক আন্দোলনৰ বেলিকা প্ৰতিজন কমিউনিষ্টে নিশ্চয়কৈয়ে এই পাৰ্থক্য পাৰ্গতালিৰে কৰিবই লাগিব। তাকে নকৰিলে আন্দোলনত অংশ গ্ৰহণ কৰিবলৈ গৈ কমিউনিষ্টসকল প্ৰতিক্ৰিয়াশীল নেতৃত্বৰ লিটিকাই হবগৈ লাগিব কিম্বা কেৱল মাথো নেতৃত্বৰ ভূমিকাকে দেখি ব্যাপক ৰাইজৰ পৰা স্বকীয়া হৈ পৰিব লাগিব। প্ৰতিক্ৰিয়াশীলহঁতে ৰাইজৰ মানসিকতাক কামত লগাই (exploit) নিজৰ ফলীয়া কৰি ব্যাপক ৰাইজক গোটপিট খুৱাই নিজৰ শ্ৰেণীস্বাৰ্থ অনুসাৰে সংগ্ৰামৰ লক্ষ্য স্থিৰ কৰি দিয়ে। ৰাইজৰ হতুৱাই সেই লক্ষ্য পূৰণ কৰি লয়। এইদৰেই প্ৰতিক্ৰিয়াশীলহঁতে কমিউনিষ্টসকলৰ সৈতে ফেপেৰি পাতে। এই প্ৰত্যাহ্বান কমিউনিষ্টসকলে তেতিয়াহে গ্ৰহণ কৰিব পাৰিব যেতিয়া আন্দোলনত অংশ গ্ৰহণকাৰী ব্যাপক ৰাইজৰ মানসিকতাক তেওঁলোকে বুজিবলৈ লব। ইয়াকে কৰিব পাৰিলে কমিউনিষ্টসকল ৰাইজৰ গ্ৰহণ যোগ্য হৈ উঠিব। তেতিয়াহে তেওঁলোকে ৰাইজক প্ৰতিক্ৰিয়াশীলহঁতৰ প্ৰভাৱৰ পৰা মুক্ত কৰি আচল শত্ৰুৰ বিৰুদ্ধে ৰাইজৰ আন্দোলনক পোনাই দিব পাৰিব। ই নিশ্চয়কৈয়ে এক দীৰ্ঘস্থায়ী আৰু কষ্টসাধ্য কাম। সাধাৰণ শত্ৰুৰ কথা ভাবিয়েই আমি এইবোৰ আন্দোলনত নিজৰ খোপনি লব লাগিব নহ'লে কিছু কিছু বাওঁপন্থী বন্ধুবৃন্দই যে "উত্তৰ পূৰ্ব্বাঞ্চলত উগ্ৰজাতীয়তাবাদ আৰু বিচ্ছিন্নতাবাদ প্ৰধান শত্ৰু আৰু বাদ বাকী ভাৰতত ইন্দিৰা প্ৰধান শত্ৰু" এনে এক আচহুৱা তত্বত উপনীত

OKDISCD

হবগৈ লাগিব। এনে তত্ব কঢ়িয়াই আনি তেওঁলোকে নিজেই বিচ্ছিন্নতা-বাদ কৰা নাই জানো? ভাৰতবৰ্ষৰ কমিউনিষ্টসকল এই লেখিয়া আন্দোলনবোৰক ফঁহিয়াই চোৰাত অতি পাৰ্গত হৈ উঠিব লাগিব। পাৰ্টিয়ে পৰিচালনা কৰা সশস্ত্ৰ কৃষক সংগ্ৰামৰ সৈতে এই লেখিয়া ব্যাপক গণআন্দোলনবোৰক সাধাৰণ শত্ৰুৰ বিৰুদ্ধে পোনাই দিয়াৰ ওপৰতে ভাৰতীয় বিপ্লৱৰ চূড়ান্ত বিজয় নিৰ্ভৰ কৰিছে। আশাকৰো বাওঁপন্থী বন্ধুসকলে এতিয়াহে আন্দোলনৰ সৈতে আন্দোলনৰ লক্ষ্য বস্তুৰ পাৰ্থক্য কোনখিনিত তাক বুজিব পাৰিছে ছাগৈ। এশজন কিয় এহেজাৰ এজন বিদ্যাসাগৰেও ইয়াক ফঁহিয়াব নোৱাৰাটোৱেই স্বাভাৱিক কিয়নো বিদ্যাসাগৰতো আৰু বাওঁপন্থী নাছিল। পিছে আপোনালোক বাওঁপন্থী হৈয়ো ইয়াক ফঁহিয়াই চাব নোৱাৰাটো স্বাভাৱিক জানো??

উত্তৰ কামৰূপ সহ অন্যান্য ঠাইত সংঘঠিত ভয়াবহ সাম্প্ৰ-দায়িক কটা-মৰাৰ আমি যি দৰে তীব্ৰ বিৰোধীতা কৰো ঠিক সেই-দৰে মিলিটেৰীৰ হতুৱাই অসমীয়া পুৰুষ-তিৰোতাৰ ওপৰত কৰা অমানুষিক অত্যাচাৰৰো আমি তীব্ৰ বিৰোধীতা কৰো। কমিউনিষ্ট-সকলে কোনো যুক্তিতেই ৰাইজৰ ওপৰত মিলিটেৰীৰ অত্যাচাৰৰ ওকা-লতি কৰিব নোৱাৰে। বাওঁপন্থী বন্ধুসকললৈ আমাৰ এটি সনিৰ্বন্ধ প্ৰশ্ন— আপোনালোকে বাৰু ইন্দিৰাৰ গাত সাম্প্ৰদায়িকতা বিৰোধী কিবা ভূমিকা দেখা পাইছেনেকি? তেন্তে আপোনালোকে বৰ্ত্তমান চলি থকা থৌকি-বাথৌ সাম্প্ৰদায়িক কটা-মৰাৰ (?) বিৰুদ্ধে ইন্দিৰাৰ সৈতে যুক্তমৰ্চ্চা গঢ়ি তোলকগৈ। পিছে মনত ৰাখিব— অসমীয়া ৰাইজে যিদিনাখন ইন্দিৰাক চুৰনিত থেকেছিব, সিদিনা আপোনালোকৰ স্থানো ইন্দিৰাৰ কাষতে হ'বগৈ।

আপোনালোকৰ তৃতীয় সমলোচনা হ'ল— বিদেশী নাগৰিক বহি-ষ্কাৰ কৰাৰ যুক্তিযুক্ত দিশটোকো আমি নুই কৰিছো।

আপোনালোকে কৈছে "শ্ৰমজীৱি ৰাইজৰ কেৱল লঘিষ্ঠ সংখ্যক জীৱনৰেই নহয়, বৰং প্ৰতিটো জীৱনৰে মূল্য আছে।" আপোনালোকৰ

মানৱ প্ৰেম যদি এই স্তৰ পাইছেগৈ তেন্তে আপোনালোকে '৭১ চনক ভিত্তি বছৰ হিচাবে লৈ কেইলাখ মান মানুহক, যিসকলে মাথো কেইবছৰমান আগতেহে সাম্ৰাজ্যবাদী চক্ৰান্তৰ বলি হৈ নিজৰ ভেঁটিৰ পৰা উচন হৈ আহি এই দেশত জীৱন ধাৰণৰ কিবা এটা ব্যৱস্থা কৰি দিন নিয়াইছে, তেওঁলোকক আকৌ ভগনীয়া কৰাৰ আঁৰত কোনটো বাওঁপন্থাৰ যুক্তি বিচাৰি পাইছে সি আমালৈ ভাঙিব নোৱাৰা সাঁথৰ। আৰু এই লেখিয়া এক অ-মানৱীয় কাম কোনটো 'গণতান্ত্ৰিক' আৰু 'মানৱীয়' পন্থাৰে কৰাটো সম্ভৱ সিও আমালৈ সাঁথৰৰ কুকি। যদি আপোনালোকে '৭১ চন ধৰি কেইলাখমান মানুহক ভগনীয়া কৰাৰ যুক্তি বিচাৰি পাইছে তেন্তে আৰু এধানমান খাটিলেই আপোনালোকে '৫১ চনক ধৰি আৰু কেইলাখমান বেছি মানুহকো ভগনীয়া কৰাৰ যুক্তি বিচাৰি পোৱাতো বৰ টান নহবচোন। আন্দোলনৰ যি নেতাহঁতক আপোনালোকে 'উগ্ৰজাতীয়তাবাদী', 'সাম্প্ৰদায়িক' প্ৰতিক্ৰিয়াশীল' প্ৰভৃতি সমালোচনাৰে খদমদম লগাইছে সিহঁতৰ সৈতে আপোনালোকৰ পাৰ্থক্য মাথো কি চন নিৰ্দ্ধাৰণৰ বেলিকাহে নেকি? তেনেহলে দেখোন আপোনালোক প্ৰতিক্ৰিয়াশীল নেতৃত্বই নিৰ্দ্ধাৰণ কৰা আন্দোলনৰ লক্ষ্যৰ সৈতে নীতিগতভাবে একমত। আকৌ আপোনালোকেই হেনো আন্দোলনক 'সৰ্বান্তঃকৰণে' বিৰোধীতা কৰাৰ নীতি গ্ৰহণ কৰিছে। আপোনালোকৰ সৈ তে আমাৰ পাৰ্থক্যক ঠাৱৰ কৰিলে যিটো হয়গৈ সি হ'ল আমি অসমীয়া ৰাইজৰ মানসিকতা আৰু তেখেতসকলৰ আন্দোলনক সমৰ্থন জনাইছো। কিন্তু ৰাইজৰ সমস্যাৰ সমাধান হিচাবে নেতৃত্বই যি লক্ষ্য থিৰাং কৰিছে আমি, তাৰ বিৰোধীতা কৰিছো। এই প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে তদানীন্তন বৃটিছ উপনিবেশ আয়াৰলেণ্ডৰ মেহনতী মানুহৰ (যি সকল ইংলণ্ডত অস্তিত্ব ৰক্ষাৰ প্ৰয়োজনত আহি শ্ৰমিক হৈছিল) প্ৰতি ইংলণ্ডৰ শ্ৰমিক শ্ৰেণীৰ ভুল মনোভাৱ (যি আচলতে বৃটিছ ধনীক শ্ৰেণীৰ উগ্ৰজাতীয়তাবাদৰ প্ৰভাৱ) সমালোচনা কৰি আন্তৰ্জাতিক সৰ্বহাৰা শ্ৰেণীৰ শিক্ষাগুৰু মাক্স' কৈছিল যে— 'যিমান দিনলৈ

ইংলণ্ডৰ শ্ৰমিক শ্ৰেণী আয়াৰলেণ্ডৰ নিপীড়িত জনগণৰ পক্ষত ঠিয় হবলৈ নিশিকিব তেতিয়ালৈ তেওঁলোক নিৰ্বীজ হৈয়েই থাকিব।' মাৰ্ক্সৰ এই মৌলিক দৃষ্টিকোণ সৰ্ব্বহাৰা শ্ৰেণীৰ নিজৰ শ্ৰেণী অৱস্থানত দৃঢ় হৈ থকাৰ ক্ষেত্ৰত আজিও পুৰণা হৈ যোৱা নাই বুলি আমি ভাবো।

আমি ভাবো আন্দোলনৰ মাজত যি সাম্প্ৰদায়িক কটা-মৰাবোৰ সংঘটিত হৈছে তাৰ উহঁ এই লক্ষ্যৰ মাজতে আছে। অসমীয়া জাতিৰ সকলো সমস্যাৰ আঁকৰ হিচাবে আন এটা জাতিৰ উপস্থিতিকেই আঙুলিয়াই দি সঘন প্ৰচাৰৰ মাজেদি অসমীয়া ৰাইজৰ মনত সেই জাতিৰ বিৰুদ্ধে ঘৃণা জগাই তোলা হৈছে। তাৰেই পৰিণতি হ'ল ভাতৃঘাটি কটা-মৰা। আপোনালোকে ব্যাপক অসমীয়া ৰাইজ উধাতু খাই আহি আন্দোলনত গোট পিত খোৱাৰ থল হিচাবে যি মানসিকতাই কাম কৰিছে তাক বুজাত ব্যৰ্থ হৈছে। আৰু আপোনালোকে ইয়াক কোনো আন্দোলন বুলি মানি লবলৈকো ৰাজী নহয় (আপোনালোকৰ কোনো কোনো নেতাইতো ইয়াক পিক্‌নিক্ পাৰ্টি বুলিও ইতিকিং কৰিছে)। আনপিনে আপোনালোক প্ৰতিক্ৰিয়াশীল নেতৃত্বই নিৰ্দ্ধাৰণ কৰা লক্ষ্যৰ সৈতে নীতিগত ভাবে একমত। আপোনালোকে মাৰ্ক্সবাদৰ কোনটো 'ফৰ্মূলা'ৰে নিজৰ খোপনিক ব্যাখ্যা কৰি দেখুৱাব?

কোনো কোনো বন্ধুৱে হয়তো ভাবিব পাৰে যে এখন দেশৰ পৰা অ ন এখন দেশলৈ লাখ লাখ মানুহৰ প্ৰব্ৰজনক সমৰ্থন কৰিছো আৰু এই প্ৰব্ৰজন অনিৰ্দ্দিষ্ট কাললৈ চলি থাকক— আমি তাকেই বিচাৰিছো। দৰাচলতে যি কোনো সুস্থ মস্তিষ্কৰ মানুহৰ দৰে আমিও ইয়াৰ বিৰোধী। আমাৰ আটাইৰে ইচ্ছাক কেৰেপ নকৰি লাখ লাখ মানুহ এই দেশলৈ আহিছে। ই এটা বাস্তৱ ঘটনা। পৃথিবীত এনে বহু ঘটনা ঘটে যিবোৰ আমাৰ আপোনাৰ ইচ্ছা নিৰপেক্ষ। জীৱন-জীৱিকা বা পৰিয়ালৰ নিৰাপত্তা প্ৰভৃতি প্ৰশ্নবোৰৰ মুখামুখি নোহোৱালৈকে কোনো মানুহে

নিজৰ মাতৃভূমি নেৰে। নিজৰ দেশতে লাখ লাখ মানুহে জীৱন-জীৱিকা কিম্বা নিৰপত্তাৰ দৰে প্ৰশ্নবোৰৰ সন্মুখীন হ'ব লগা হোৱাৰ আঁৰত সাম্ৰাজ্যবাদী আৰু প্ৰতিক্ৰিয়াশীলইঁতৰ বহুদিনীয়া ধাৰাবাহিক চক্ৰান্ত আছে। চক্ৰান্তৰ বলি হোৱা লাখ লাখ মানুহক আকৌ এক ঠেকু-চিগা ভৱিষ্যতলৈ ঠেলি দিয়াৰ মাজত কোনো জাতিৰেই মৌলিক সমস্যাৰ সমাধান লুকাই থাকিব নোৱাৰে। যি লাখ লাখ ৰাইজ এই দেশলৈ আহিছে তেওঁলোকে দেশৰ সম্পদ লুটিবলৈ অহা নাই (অৱশ্যে আমি দেশী সম্পদ লুণ্ঠনকাৰী আৰু বিদেশী সম্পদ লুণ্ঠন-কাৰীক একে দৃষ্টি ভঙ্গীৰেই চাওঁ), বৰং তেওঁলোকে দেশৰ সম্পদকে সৃষ্টি কৰিছে, তাৰ বিনিময়ত নিজৰ জীৱন ধাৰণ কৰিছে। এই প্ৰক্ৰিয়াত লাখ লাখ মানুহৰ ভালেখিনিয়েই স্থানীয় ভাষা, সংস্কৃতি গ্ৰহনো কৰা নাই জানো? বহিৰাগত ৰাইজৰ যি ক্ষুদ্ৰ অংশটিয়ে নিজৰ ভাষা, সংস্কৃতিলৈ ডাংকোপ মাৰে আৰু স্থানীয় ভাষা সংস্কৃ-তিক হেয়জ্ঞান কৰে আমি তেওঁলোকৰ তীব্ৰ বিৰোধী। তেওঁলোকৰ কোনো দাবী বা পদক্ষেপ, যি স্থানীয় ৰাইজৰ মনত নিজৰ ভাষা সংস্কৃতি সম্পৰ্কে হা-হুমুনিয়াহ বঢ়াই তুলিব, তাক আমি কাহানিও সমৰ্থন কৰিব নোৱাৰো।

অৱশেষত কব পাৰি যে অসমৰ আন্দোলনৰ প্ৰশ্নত আমাৰ চিন্তা-ভাৱনাৰ লগত বাওঁপন্থী বন্ধুসকলৰ পাৰ্থক্য কোনো বিচ্ছিন্ন ঘটনা নহয় নাইবা ইয়াৰ ভিত্তি আন্দোলন সম্পৰ্কে তথ্য সমূহ জনা-নজনাৰ মাজত নাই। সেয়ে অতি সৰলীকৰণৰ পৰা মুক্ত হৈ দৃঢ়ভাবে আমি এই মত পোষণ কৰো যে এই পাৰ্থক্যৰ ভিত্তি হৈছে কিছু মৌলিক দৃষ্টিকোণ— সমস্যাৰ প্ৰতি বৈজ্ঞানিক মনো-ভাৱৰ সমস্যা যিবোৰ নিম্ন ধৰণে সূত্ৰবদ্ধ কৰা যায়।

(১) আত্ম সমালোচনা অৰ্থাৎ নিজৰ দুৰ্ব্বলতাক অস্বীকাৰ কৰাৰ দৃষ্টিকোণ ঃ

সকলো বাওঁপন্থী বন্ধুৱেই অসমীয়া ৰাইজৰ কিছু পুঞ্জীভূত প্ৰকৃত বিক্ষোভ আছে বুলি স্বীকাৰ কৰিছে। কিন্তু যেতিয়া ব্যাপক

ৰাইজে আন্দোলনৰ পথত ভৰি দিছে আৰু আন্দোলনৰ পথত ভৰি দিছে আৰু আন্দোলনৰ নেতৃত্ব প্ৰতিক্ৰিয়াশীলহঁতে কৰায়ত্ব কৰি তাক ভুল লক্ষ্যত পৰিচালিত কৰিছে, তেতিয়া তেওঁলোকে প্ৰতি-ক্ৰিয়াশীল নেতৃত্বৰ বিৰুদ্ধে বিষোদাগাৰ কৰিবলৈ গৈ সমগ্ৰ আন্দোলনকেই প্ৰতিক্ৰিয়াশীলতাৰ লগত সমতুল্য (equate) কৰি পেলাইছে। কিন্তু কিয় প্ৰতিক্ৰিয়াশীলহঁতে নেতৃত্ব কৰায়ত্ব কৰিব পাৰিলে— এই প্ৰশ্ন তেওঁলোকে সচেতনভাবে এৰাই চলিছে। কাৰণ এই প্ৰশ্নৰ উত্তৰ এটাই হ'ব পাৰে, সি হ'ল ঃ অসমীয়া ৰাইজৰ চেতনাৰ বাস্তৱ স্তৰ— তেওঁলোকৰ আবেগ আৰু দাবীক মূল্যায়ন কৰাৰ ক্ষেত্ৰত বাওঁপন্থীসকলৰ ব্যৰ্থতা, নহলে অসমীয়া ৰাইজৰ বিক্ষোভক লৈ প্ৰতি-ক্ৰিয়াশীলহঁতৰ পক্ষে ল'ৰা ধেমালী খেলা কেতিয়াও সম্ভৱ নহয়।

বাওঁপন্থীসকলৰ পক্ষৰ পৰা এই অপাৰগতাক স্বীকাৰ কৰাৰ প্ৰশ্নটো অকল আত্মসমালোচনামূলক প্ৰশ্নই নহয়— বৰং অসমীয়া ৰাইজৰ বিক্ষোভক স্বীকাৰ কৰাৰ লগে লগে এই বিক্ষোভক সঠিক লক্ষ্যত ৰূপ দিয়াৰ দায়িত্বৰ প্ৰশ্ন বুলিও কব পাৰি।

সেয়ে আমাৰ পক্ষৰ পৰা এই অপাৰগতা বা দুৰ্ব্বলতাক স্পষ্টভাবে স্বীকাৰ কৰা আৰু বাওঁপন্থী বন্ধুসকলৰ পক্ষৰ পৰা এই অপাৰগতাক প্ৰতিক্ৰিয়াশীলহঁতৰ বিৰুদ্ধে গালি-শপনি, চল-চাতুৰীৰে ঢাকি দিয়াটোৱেই জানো আমাৰ মাজত পাৰ্থক্যৰ প্ৰাৰম্ভিক বিন্দু নহয় ?

**(২) ৰাইজৰ স্বতঃস্ফূৰ্ত্ত উদ্যোগ-সক্ৰিয়তা-প্ৰতিভাক আয়ত্ব কৰাৰ সমস্যা ঃ**

যিকোনো ভুল লাইন, কৌশল বা কৰ্ম্মনীতিৰ ভিত্তি হৈছে শেষ বিচাৰত জনগণৰ সক্ৰিয়তা, উদ্যোগ বা প্ৰতিভাক বাস্তৱ-সন্মত ভাবে বুজাৰ চেষ্টা নকৰা বা আয়ত্ব নকৰা। অসমৰ আন্দোলনৰ উৎস যদি জনগণৰ কিছু পুঞ্জীভূত বিক্ষোভ হব পাৰে তেনেহলে সাম্প্ৰতিক কাৰ্য্যকলাপত সকলোৰে ইচ্ছামুক্ত ভাবেই ৰাইজৰ

কিছু নহয় কিছু স্বতঃস্ফূৰ্ত্ত ইতিবাচক দিশ— উদ্যোগ বা সক্ৰিয়তা থাকিবলৈ বাধ্য। প্ৰতিক্ৰিয়াশীলহঁতৰ চক্ৰান্তই শেষ কথা হব নোৱাৰে। আন্দোলনৰ নেতৃত্ব প্ৰতিক্ৰিয়াশীলহঁতৰ দ্বাৰা কৰায়ত্ব কৰাৰ অৰ্থ হ'ল জনগণৰ সেই ইতিবাচক দিশসমূহ বিকাশ হোৱাত বাধা দিয়া আৰু আমাৰ নেতৃত্ব প্ৰতিষ্ঠা কৰাৰ তাৎপৰ্য্য হ'ল সেই ইতিবাচক দিশসমূহ ধাপে ধাপে বিকাশ কৰাৰ পথ উন্মুক্ত কৰা। নহলে ইতিবাচক আন্দোলন সৰগৰ পৰা খহা এক বিমূৰ্ত্ত বস্তু হৈয়েই থাকিব। 'আমি এক বিশুদ্ধ ৰূপত সংগ্ৰাম কৰিম'— এই যুক্তিত জনগণক নিজস্ব সংগ্ৰামৰ পৰা বিৰত কৰা আমাৰ দায়িত্ব নহয় বৰং কিমান কাৰ্য্যকৰীভাবে ৰাইজে সংগ্ৰাম কৰিব পাৰে সেইটো বুজোৱাটোৱেই আমাৰ দায়িত্ব।

কিন্তু বাওঁপন্থী বন্ধুসকলৰ দৃষ্টিত সাম্প্ৰতিক আন্দোলনত ৰাইজৰ স্বতঃস্ফূৰ্ত্ত ইতিবাচক উদ্যোগ বা সক্ৰিয়তাৰ কোনো চিন চাবেই ধৰা নপৰে। তথাপি অদূৰ ভৱিষ্যতে তেওঁলোকে যে কি ভাবে অসমৰ বুকুত এক ইতিবাচক, প্ৰগতিশীল আন্দোলন গঢ়ি তুলিব সেই সমীকৰণৰ সমাধান আমাৰ ওচৰত নাই। আচলতে এইটো হৈছে— "ৰাইজেই হৈছে প্ৰকৃত বীৰ আমি প্ৰায়েই শিশু, অজ্ঞ, উপহাস্য, ইয়াক নাজানিলে প্ৰাথমিক জ্ঞান অৰ্জন কৰাই সম্ভৱ নহয়"— এই মৌলিক মাৰ্ক্সবাদী দৃষ্টিকোণৰেই সমস্যা।

**(৩) সাম্প্ৰদায়িক সংঘৰ্ষ নাইবা সংখ্যালঘু সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষাৰ প্ৰশ্নত সমস্যাৰ উৎস আৰু ফলাফল (Impact)— এই দুই দিশৰ মাজৰ আন্তঃ সম্পৰ্কক বুজাৰ সমস্যা :**

সম্প্ৰতি অসমত যি এটা সাম্প্ৰদায়িক সংঘৰ্ষৰ পৰিবেশ সৃষ্টি হৈছে আৰু সংখ্যালঘু সম্প্ৰদায়ৰ ৰাইজ যে নিজৰ অস্তিত্ব তথা মানৱীয় অধিকাৰ সম্পৰ্কে উদিগ্ন হৈছে তাৰ কাৰণ কি? সি হ'ল অসমীয়া ৰাইজৰ কিছু বাস্তৱ বিক্ষোভৰ বিস্ফোৰণক প্ৰতিক্ৰিয়াশীলহঁতৰ দ্বাৰা পৰিচালিত হোৱাতো যাৰ ফলত অসমীয়া ৰাইজৰ সন্মুখত ভুল লক্ষ্যবস্তু নিৰ্দ্দিষ্ট হব পাৰিছে। অৱশ্যে ইয়াৰ কিছু

তৎকালিন ফলাফল বা প্ৰভাৱ পৰিছে .যাৰ ফলত সংখ্যালঘু ৰাইজ আক্ৰান্ত হৈছে আৰু আতঙ্কত দিন নিয়াইছে। কিন্তু এই তৎকালীন প্ৰভাৱ (Impact) ক স্বীকাৰ কৰি ইয়াৰ কাৰণে কিছু তৎকালীন পদক্ষেপ লোৱাৰ প্ৰয়োজনীয়তাই সমস্যাৰ উৎস সম্পৰ্কে আমাক উদাসীন কৰি দিব নোৱাৰে। কিন্তু আমাৰ বাওঁপন্থী বন্ধুসকলে সমস্যাৰ প্ৰভাৱ (impact) ত একলীয়াকৈ অৰ্থাৎ সমস্যাৰ উৎসৰ পৰা বিচ্ছিন্নভাৱে 'খামোচ মাৰি ধৰিছে। ফলত সংখ্যালঘু সম্প্ৰদায়ক সংগঠিত কৰিবলৈ তেওঁলোক যিমান তৎপৰ তাৰ বিন্দুমাত্ৰ চিহ্ন দেখা পোৱা নাযায় বিক্ষোভৰত অসমীয়া ৰাইজৰ লগত একাত্ম হৈ তেওঁলোকৰ মাজৰ ভুল ধাৰণাসমূহ শুদ্ধ কৰাত সাহায্য কৰাৰ ক্ষেত্ৰত। সেয়ে যথেষ্ট সৎ আকাঙ্খা থকা স্বত্বেও তেওঁলোকৰ একলীয়া কৰ্ম্মোদ্যোগে এক ওলোটা সাম্প্ৰদায়িকতাকেই খোৰাক যোগাইছে।

আমি এই দুয়োৰে মাজৰ অৰ্থাৎ সমস্যাৰ উৎসক আমূল উচ্ছেদ কৰাৰ স্থায়ী সমাধানৰ প্ৰচেষ্টা ( অৰ্থাৎ বিক্ষোভৰত অসমীয়া ৰাইজৰ ওচৰত থিয় হৈ আৰু একাত্ম হৈ তেওঁলোকক শিক্ষিত কৰি তোলাৰ দীৰ্ঘস্থায়ী প্ৰক্ৰিয়া ) আৰু সমস্যাৰ impact ৰ ভিত্তিত আশু সমাধানৰ ( অৰ্থাৎ আত্মৰক্ষাৰ কাৰণে সংখ্যালঘু জনগণ চি, আৰ, পি, মিলিটেৰীৰ ওপৰত নিৰ্ভৰশীল নহৈ বৰং নিজৰ ভৰিত থিয় হৈ সংগঠিত হোৱাৰ সাময়িক প্ৰক্ৰিয়া ) প্ৰয়োজনীয়তাৰ মাজত এক ভাৰসাম্য ৰক্ষা কৰাৰ চেষ্টা কৰিছো।

**(৪) আন্তৰ্জাতিক অভিজ্ঞতাক একপক্ষীয়ভাৱে নিজৰ স্বপক্ষ-সমৰ্থনৰ স্বাৰ্থত হাজিৰ কৰা ভুল দৃষ্টিকোন ঃ**

সাম্প্ৰতিক আন্দোলনৰ ক্ষেত্ৰত প্ৰায় সকলো বাওঁপন্থী বন্ধুৱেই আন্তৰ্জাতিক অভিজ্ঞতাৰ পৰা হিটলাৰৰ ফেচিবাদৰ উদ্ভৱৰ প্ৰক্ৰিয়াৰ প্ৰসঙ্গ উল্লেখ কৰিছে অৰ্থাৎ জাৰ্ম্মান জাতিৰ জাতিগত আৱেগক হিটলাৰে কি ভাৱে অন্য এক সম্প্ৰদায় বিদ্বেষী কৰি তুলি ফেচিবাদৰ ভেঁটি ৰচনা কৰিছিল তাৰ ৰাখ্যা কৰিছিল। গতিকে বৰ্ত্তমান আন্দোলন যে অসমৰ বুকুত সেই বীভৎস হিটলাৰ মাৰ্কা জাতীয়তাবাদৰ

এক ক্ষুদ্র সংস্কৰণ তাকো তেওঁলোকে প্ৰমাণ কৰিছে। অসমৰ জাতীয়তাবাদী নেতাসকলৰ ফেচীবাদ প্ৰতিষ্ঠা কৰাৰ কাৰণে অৰ্থ-নৈতিক ভিত্তি আছেনে নাই সেই বিতৰ্কলৈ নগৈয়ো এটা প্ৰশ্নত বাওঁপন্থী বন্ধুসকলৰ নীৰৱতাই আমাক ভবাই তুলিছে। সি হ'ল : হিটলাৰৰ উত্থানৰ সময়ত জাৰ্ম্মানীত এক প্ৰকৃত জাতীয় আবেগ আছিল যাক কমিউনিষ্ট পাৰ্টিয়ে গুৰুত্ব দিয়াৰ চেষ্টা নকৰিলে আৰু জাতীয় আবেগত প্লাৱিত ব্যাপক জনগণৰ লগত যুক্ত হৈ তেওঁলোকক সঠিক দিক্ প্ৰদৰ্শন নকৰি মাত্ৰ বাহিৰত থাকি হিট-লাৰৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাৰ ভুল কৌশল গ্ৰহণ কৰিছিল— একে সময়ৰ অভিজ্ঞতা প্ৰসঙ্গলৈ ননাতো কি অকল পাহৰি যোৱা নে ইতিহাস সম্পৰ্কে জ্ঞানৰ অভাৱ!

(৫) স্বৈৰতান্ত্ৰিক ইন্দিৰাৰ শাসনক সম্যকভাবে অৰ্থাৎ তাৰ দুমুখীয়া কৌশলক বুজাৰ সমস্যা :

যোৱা দশকৰ তথ্য সমূহে প্ৰমাণ কৰিছে যে ভাৰতবৰ্ষৰ বুকুত স্বৈৰতান্ত্ৰিক শাসনৰ প্ৰতিনিধি ইন্দিৰাৰ ৰাজত্বৰ দুটা ৰূপ আছে যাৰ মাজত প্ৰকৃততে কোনো দ্বন্দ্ব নাই বৰং সেই সমূহ পৰিপূৰক। উভয়েই স্বৈৰতন্ত্ৰক শক্তিশালী কৰাৰ হাতিয়াৰ।

এফালেদি ক'লা আইন, জেল, গুলী, হত্যা, প্ৰেছত চেন্সৰচিপ্ৰ দৰে প্ৰত্যক্ষ আৰু নগ্ন দমন পীড়ন আনহাতেদি গৰিবী হটাও, সমাজতন্ত্ৰ, জাতীয়কৰণ, হৰিজন-সংখ্যালঘু প্ৰেম, স্থায়িত্ব আৰু শৃঙ্খলাৰ জনপ্ৰিয় শ্লোগানৰ চল-চাতুৰি। কিন্তু বাওঁপন্থী বন্ধুসকলৰ মাজৰ অনেকেই ইন্দিৰাৰ চল-চাতুৰিক তেওঁলোকে প্ৰত্যক্ষ দমন পীড়নৰ দ্বাৰাই বুজিবলৈ চেষ্টা কৰে। ফলত অনেক ক্ষেত্ৰত ইন্দিৰাৰ চল-চাতুৰিক তেওঁলোকে বুজিবলৈ ব্যৰ্থ হয়। আৰু তাইৰ পক্ষত গৈ থিয় হয়। তেওঁলোকৰ এই সমৰ্থনে ইন্দিৰাৰ গণভিত্তিকেই শক্তিশালী কৰি তোলে আৰু গণভিত্তিয়ে ইন্দিৰাৰ পক্ষৰ পৰা আৰু ব্যাপক দমন পীড়ন নমোৱাৰ কাৰণে প্ৰেৰণা যোগায়। অতীতত কিছু বাওঁপন্থীৰ বেঙ্ক জাতীয়কৰণৰ প্ৰতি সমৰ্থন, প্ৰতিবেশী বাংলা

দেশৰ জনগণৰ 'মুক্তিদাতা' হিচাপে ইন্দিৰাৰ সাময়িক হস্তক্ষেপৰ প্ৰতি অকুণ্ঠ সমৰ্থন, পাৰমানবিক বোমা বিস্ফোৰণক বৈজ্ঞানিক উন্নতি হিচাবে সমৰ্থন, ইন্দিৰাৰ কুৰিদফীয়া কাৰ্য্যসূচীক প্ৰগতিশীল হিচাবে ভাবি কাৰ্য্যকৰী কৰাৰ কাৰণে চাপ দিয়াৰ কৌশল আৰু সন্ত্ৰাস তথা বিশৃঙ্খলা দমনৰ নামত 'নক্সালপন্থী'সকলৰ ওপৰত পুলিচ মিলিটেৰীৰ দমনক চৰ্ত্তহীনভাবে সমৰ্থন— এইবোৰে অৱশেষত 'জৰুৰী-কালীন' অৱস্থাৰ দৰে প্ৰত্যক্ষ দমন পীড়ন চলোৱাৰ কাৰণে ইন্দিৰাক উচতোৱা নাছিল নে?

বৰ্ত্তমান ইন্দিৰাই আকৌ হৰিজন প্ৰীতি আৰু বিশেষকৈ অসমৰ বুকুত সংখ্যালঘুৰ স্বাৰ্থৰ নিচান উকৱাই বজাৰত নামিছে। আমি দৃঢ়ভাৱে মত পোষণ কৰো এইবিলাক স্বৈৰতান্ত্ৰিক ইন্দিৰাৰ এক জঘণ্য আৰু ষড়যন্ত্ৰমূলক ৰূপ। স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে সংগ্ৰামৰ ক্ষেত্ৰত ই হৈছে সকলোতকৈ জটিল আৰু সূক্ষ্ম স্তৰ। কিন্তু কিছু বামপন্থী বন্ধুৱে আজিও অতীতৰ অভিজ্ঞতাৰ পৰা শিক্ষা আহৰণ কৰা নাই। তেওঁলোকে ভাবে যে এইবিলাক ইন্দিৰাৰ আপেক্ষিক প্ৰগতিশীল পদক্ষেপ আৰু এই প্ৰশ্নত ইন্দিৰাক উদঙাই দেখুৱালে সি সংখ্যালঘুৰ প্ৰতি ক্ষতি-কাৰক হব। অৰ্থাৎ সংখ্যালঘু ৰাইজৰ স্বাৰ্থৰক্ষা হোৱা নোহোৱাতো সাময়িকভাৱে হলেও ইন্দিৰাৰ শুভেচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিছে।

ইয়াৰ অনিবাৰ্য্য ফলশ্ৰুতি হ'ল সমগ্ৰ ভাৰতবৰ্ষত যি ইন্দিৰা স্বৈৰতন্ত্ৰৰ বিৰুদ্ধে ব্যাপকতম যুক্তমৰ্চ্চাৰ প্ৰয়োজন, অসমৰ বুকুত সেই ইন্দিৰা হ'ল যুক্তমৰ্চ্চাৰ অংশীদাৰ। যদিও সেই বামপন্থী বন্ধুসকলৰ মতে ইন্দিৰাৰ যি স্বৈৰতন্ত্ৰ অৰ্থাৎ ক'লা আইন, প্ৰত্যক্ষ দমন পীড়ন নতুনকৈ ক্ষমতাত অধিষ্ঠিত হোৱাৰ পিছত অসমৰ বুকুতেই ইন্দিৰাই প্ৰথম নমাইছে।

মোখনিত আমি ইয়াকে কবলৈ বিছাৰিছো যে এই আন্দোলনৰ মাজত ব্যাপক বাওঁপন্থী বন্ধুসকলে, গণতান্ত্ৰিক, প্ৰগতিশীল ব্যক্তি-সকলে বহু নিৰ্য্যাতন আৰু অপমানকো আওকান কৰি সাম্প্ৰ-দায়ীক তথা উগ্ৰজাতীয়তাবাদৰ বিৰোধীতা কৰিছে আৰু সাম্প্ৰদায়ীক

সম্প্ৰীতি অটুট ৰাখিবলৈ চেষ্টা কৰিছে ; যাৰ আমি শলাগ লওঁহক। ভালে কেইজন বাওঁপন্থী কৰ্ম্মীয়ো সাম্প্ৰদায়ীক শক্তিৰ হাতত শ্বহীদ হৈছে। তেখেতসকলৈ আমি হিয়া উজাৰি শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছো। ই হ'ল আমাৰ দেশৰ কমিউনিষ্ট আন্দোলনৰ বুৰঞ্জীত শত শত সৎ, নিষ্ঠাবান, বিপ্লবী কৰ্ম্মীয়ে শত্ৰুৰ হাজাৰ দমন-পীড়নৰ সন্মুখত নিজৰ আদৰ্শৰ প্ৰতি দৃঢ় থাকি জীৱন দি থৈ যোৱাৰ ইতিবাচক সোঁত-ৰেই নিছিগা ধাৰ। কিন্তু শ্বহীদসকলক স্মৰণ কৰাৰ কোনো তাৎ-পৰ্য্যই নাথাকে যদি তেওঁলোকৰ ৰক্তৰ বিনিময়ত অৰ্জিত অমূল্য শিক্ষা গ্ৰহণ কৰিবলৈ আমি ব্যৰ্থ হওঁ। অসমৰ সাম্প্ৰতিক আন্দো-লনত যিসকল শ্বহীদ হ'ল তেওঁলোকে মহান স্তালিনৰ সেই অমূল্য আৰু চিৰনতুন শিক্ষাকেই আমাৰ ওচৰত দাঙি ধৰিছে :— "পাৰ্টিৰ কাৰণে ইয়াৰ কামৰ ক্ষেত্ৰত নীতিৰ প্ৰতি একনিষ্ঠ আনুগত্য (কূপ-মণ্ডুকতাৰ লগত যেন সানমিহলি কৰা নহয়) আৰু জনসাধাৰণৰ লগত ব্যাপকতম যোগাযোগৰ (লিটিকাই বৃত্তিৰ লগত যেন সান-মিহলি কৰা নহয়) সমন্বয় সাধন কৰা আৱশ্যক, ইয়াৰ বাহিৰে পাৰ্টিৰ কাৰণে জনসাধাৰণক শিক্ষা দিয়া অসম্ভৱেই নহয়, জনসাধাৰণৰ পৰাও তেওঁলোকে শিকিব নোৱাৰিব। তেওঁলোকে অকল জনসাধা-ৰণক নেতৃত্ব দিয়াত, তেওঁলোকৰ পাৰ্টিৰ স্তৰলৈ উন্নীত কৰাত অপাৰগ হোৱাই নহয়, জনসাধাৰণৰ কণ্ঠস্বৰ শুনি তেওঁলোকৰ একান্ত জৰুৰী প্ৰয়োজনো তেওঁলোকে নিৰ্দ্ধাৰণ কৰিব নোৱাৰিব।"

—[ স্তালিন ঃ জাৰ্ম্মানীৰ কমিউনিষ্ট পাৰ্টিৰ পটভূমিকা আৰু বলশ্বেভিকৰণ, প্ৰাভদা নং ২৭, ৩ ফেব্ৰুৱাৰী ১৯২৫ ]

'মুক্তিযুদ্ধ প্ৰকাশনী'

মূল্য— ২৫ পইচা